# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-MAY-2026
**Time :** 09-00  AM

***Assamese Morning Bulletin***

১। ব্ৰহ্মপুত্ৰক বহুমুখী অৰ্থনৈতিক কৰিড'ৰ হিচাপে গঢ়ি তোলাৰ লগতে বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰিকল্পনা।

২। নতুন দিল্লীত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ হস্তশিল্পী আৰু শিপিনী দলৰ সাক্ষাৎ।

৩। অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ পেন্সন প্ৰক্ৰিয়াত বিলম্ব হ'লে দায়িত্বত থকা বিষয়াক জৰিমনা বিহাৰ বাবে ৰাজ্য চৰকাৰৰ নিৰ্দেশ।

৪। শক্তিপীঠ কামাখ্যা দেৱালয়ত ২২ জুনৰ পৰা অম্বুবাচী মেলা। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি নিশা অনুষ্ঠিত খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে ৰাজস্থান ৰয়েলছৰ ৭ উইকেটত জয়লাভ।

০০০০০০

ব্ৰহ্মপুত্ৰক বহুমুখী অৰ্থনৈতিক কৰিড'ৰ হিচাপে গঢ়ি তোলাৰ লগতে অঞ্চলটোৰ বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা গ্ৰহণ কৰিছে। কালি গুৱাহাটীত অনুষ্ঠিত ব্ৰহ্মপুত্ৰ ব'ৰ্ডৰ উচ্চ ক্ষমতাসম্পন্ন পৰ্যালোচনা পৰিষদৰ চতুৰ্দশ বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় জলশক্তি মন্ত্ৰী চি আৰ পাটিলৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত শ্ৰী পাটিলে এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে বান, খহনীয়া নিয়ন্ত্ৰণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। শেহতীয়াকৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ অধ্যক্ষতাত অনুষ্ঠিত এখন বৈঠকত বিষয়টো আলোচনা কৰা হয় বুলিও তেওঁ জানিবলৈ দিয়ে। এই বৈঠকত জল ভাণ্ডাৰ নিৰ্মাণ কৰাৰ লগতে বানৰ আগতীয়া সতৰ্কীকৰণৰ ব্যৱস্থা গ্ৰহণ সন্দৰ্ভতো আলোচনা কৰা হয় বুলি শ্ৰী পাটিলে কয়। এতিয়াৰ পৰা ব্ৰহ্মপুত্ৰ ব'ৰ্ডত ছিকিম আৰু পশ্চিমবংগক অন্তৰ্ভুক্ত কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। অনুষ্ঠানত অংশ লৈ কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ব্ৰহ্মপুত্ৰত জল মেট্ৰ'সেৱা আৰম্ভ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ কয়, যে গুৱাহাটীকে ধৰি দেশৰ ১৮ খন চহৰৰ পৰা এই সেৱা আৰম্ভ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পৰিকল্পনা লৈছে। প্ৰথম পৰ্যায়ত গুৱাহাটীৰ লগতে শ্ৰীনগৰ, পাটনা, বাৰানসী, অযোধ্যা আৰু প্ৰয়াগৰাজত এই সেৱা আৰম্ভ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত তেজপুৰ আৰু ডিব্ৰুগড়তো এই প্ৰকল্প ৰূপায়ণৰ প্ৰস্তাৱ দিয়া হৈছে। নগৰভিত্তিক জল পৰিবহণৰ বাবে ৰাষ্ট্ৰীয় পৰিকাঠামো প্ৰস্তুত কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰীয় জল মেট্ৰ' নীতি, ২০২৬-ৰ খচৰা আন্তঃমন্ত্ৰালয় পৰামৰ্শৰ বাবে প্ৰেৰণ কৰিছে বুলি শ্ৰী সোণোৱালে কয়। কালিৰ বৈঠক ফলপ্ৰসু হোৱা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

বাইট

কালিৰ বৈঠকত  জলশক্তি দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰাজ ভূষণ চৌধুৰীও উপস্থিত থাকে। তদুপৰি কেন্দ্ৰীয় চৰকাৰ আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ শীৰ্ষ বিষয়া আৰু কাৰিকৰী বিশেষজ্ঞইও বৈঠকত অংশ লয়। এই বৈঠকখনত ত্ৰয়োদশ বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তসমূহ ৰূপায়ণৰ স্থিতি পৰ্যালোচনা কৰাৰ উপৰি নদী অৱবাহিকা ব্যৱস্থাপনা পদক্ষেপৰ অগ্ৰগতিৰ বুজ লোৱা হয়। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰ বোৰ্ডৰ সামগ্ৰিক কামকাজৰ মূল্যায়ন কৰি ব'ৰ্ডৰ ভৱিষ্যত কাম-কাজৰ ৰূপৰেখা প্ৰস্তুত কৰা সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০

অসম সহ উত্তৰ-পূৰ্বাঞ্চলৰ হস্তশিল্পী আৰু শিপিনীৰ এটা দলে কালি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি ভৱনত সাক্ষাৎ কৰে। এই সাক্ষাৎকালত শিপিনীসকলে তেওঁলোকৰ অভিজ্ঞতাৰ বিষয়ে ৰাষ্ট্ৰপতিগৰাকীক অৱগত কৰে। এইবাৰৰ গণৰাজ্য দিৱস উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আয়োজন কৰা এট হোম শীৰ্ষক আতিথ্য অনুষ্ঠানৰ বিশেষ আমন্ত্ৰণি পত্ৰ প্ৰস্তুত কৰাত এই শিপিনী আৰু হস্তশিল্পীসকলে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। তেওঁলোকে ইয়াৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ সমৃদ্ধ শিল্প-সংস্কৃতি আৰু ঐতিহ্যক ৰাষ্ট্ৰীয় মঞ্চত সুন্দৰভাৱে উপস্থাপন কৰিবলৈ সমৰ্থ হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কালি এই শিপিনী আৰু শিল্পীসকলক সাক্ষাৎ কৰাৰ পাছত তেওঁলোকৰ প্ৰতিভাৰ প্ৰশংসা কৰাৰ লগতে এই শিল্পীসকলৰ প্ৰতিভা বিকাশৰ ক্ষেত্ৰত প্ৰয়োজনীয় সহায় কৰিবলৈ সংশ্লিষ্ট বিভাগক আহ্বান জনায়।

বাইট

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ-পূৰ্বাঞ্চলৰ সৃষ্টিশীলতা, দক্ষতা আৰু সাংস্কৃতিক গৌৰৱৰ এয়া অনন্য স্বীকৃতি বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে অঞ্চলটোৰ শিল্পীসকলৰ বাবে এয়া বিৰল সন্মানৰ ক্ষণ বুলি মন্তব্য কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে ২০২৬-২৭ বিত্তীয় বৰ্ষত অসমসহ উত্তৰ-পূৰ্বাঞ্চলত ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি নিৰ্মাণৰ বাবে অতিৰিক্ত ২,০০০ কোটি টকা মোকলাই দিছে। ইয়াৰ লগে লগে অঞ্চলটোলৈ ৰাষ্ট্ৰীয় ঘাইপথ শিতানত মোকলাই দিয়া ধনৰাশি ৩ হাজাৰ ৫০০ কোটিলৈ বৃদ্ধি পাইছে। কেন্দ্ৰীয় পথ আৰু ঘাইপথ মন্ত্ৰালয়ে এখন জাননীযোগে এই বিষয়ে প্ৰকাশ কৰিছে। জাননীখনত উল্লেখ কৰা মতে এই পুঁজি ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে দলং আদি নিৰ্মাণত ব্যয় কৰা হ'ব। জাননীখনত উল্লেখ কৰা মতে ২০২৬-২৭ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ বাবে ১৭ হাজাৰ ৫৫৮ কোটি টকা ব্যয়ৰ বাবে বাজেটত প্ৰস্তাৱ দিয়া হৈছে।

০০০০০০

ৰাজ্যৰ অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীসকলৰ পেঞ্চন প্ৰক্ৰিয়াত হোৱা অনাহক বিলম্ব নোহোৱা কৰিবৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো দীঘলীয়া সময় ধৰি অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে নিজৰ প্ৰাপ্য আদায়ৰ বাবে কাৰ্যালয়ে কাৰ্যালয়ে ঘূৰি ফুৰিবলগীয়া অৱস্থা নোহোৱা কৰিবৰ বাবে চৰকাৰে কঠোৰ ব্যৱস্থা লোৱা বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত প্ৰকাশ কৰিছে। সেই অনুসৰি নিৰ্ধাৰিত সময়ৰ ভিতৰত পেঞ্চন প্ৰক্ৰিয়া সম্পন্ন নহ'লে দায়িত্বত থকা বিষয়াক আৰ্থিক জৰিমনা বিহাৰ বাবে চৰকাৰে সিদ্ধান্ত লৈছে। তদুপৰি প্ৰতিমাহে পেঞ্চন বিলম্ব হোৱা সকলৰ তালিকা প্ৰস্তুত কৰি কৃতজ্ঞতা প'ৰ্টেলত আপলোড কৰাৰ বাবেও চৰকাৰে ব্যৱস্থা কৰিছে।

০০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। কামাখ্যা ধামৰ অম্বুবাচী মেলা সন্দৰ্ভত মন্ত্ৰী অজন্তা নেওগৰ অধ্যক্ষতাত ৰাজ্যৰ বিভিন্ন বিভাগৰ এখন বৈঠক ইতিমধ্যে অনুষ্ঠিত হৈছে। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া আৰু দলৈ সমাজৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত অম্বুবাচী মেলা সফলতাৰে সম্পন্ন কৰাৰ দিশত আলোচনা কৰা হয়।

০০০০০০

কামৰূপ জিলাৰ শিংৰাত কেন্দ্ৰীয় চৰকাৰৰ কৃষি বিভাগৰ এটা অভিলাসী আঁচনিৰ শুভাৰম্ভ কৰা হৈছে। চৰকাৰে কৃষকৰ বাবে গ্ৰহণ কৰা ২৫ টা পাইলট প্ৰকল্পৰ ভিতৰত অসমৰ একমাত্ৰ জলসিঞ্চন প্ৰকল্পটো কালি বকো-ছয়গাঁও বিধানসভা সমষ্টিত শুভাৰম্ভ কৰা হয়। খেতিয়কসকলে যাতে পথাৰত সুচাৰুৰূপে কৃষিকাৰ্য কৰিব পাৰে, তাৰ প্ৰতি লক্ষ্য ৰাখি উন্নত প্ৰযুক্তিৰে পাইপ সংযোগ কৰি পানী যোগান ধৰাৰ বাবে এই প্ৰকল্পৰ শুভাৰম্ভ কৰা হয়। এই আঁচনিৰ শুভাৰম্ভ কৰে বকো-ছয়গাঁও সমষ্টিৰ বিধায়ক ৰাজু মেচে। ৩৪ কোটি ৮৪ লাখ টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পই ১১ হাজাৰ বিঘা ভূমিত পানী যোগান ধৰাত সহায় কৰিব বুলি বিধায়কগৰাকীয়ে প্ৰকাশ কৰে।

বাইট

০০০০০০

ৰাজ্য চৰকাৰে এহেজাৰ ৪৫৯ কোটি টকা ব্যয়ৰে গুৱাহাটীৰ কৃত্ৰিম বান নিয়ন্ত্ৰণৰ পৰিকল্পনা যুগুত কৰিছে। জি আই এছ আধাৰিত পয়ঃপ্ৰণালী আৰু বান ব্যৱস্থাপনা প্ৰকল্পৰ জৰিয়তে গুৱাহাটীক বান সহনশীল আৰু ভৱিষ্যমুখী মহানগৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লোৱা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে নগৰীয়া বান সমস্যাৰ স্থায়ী সমাধান কৰি জনসাধাৰণৰ জীৱন সূচল কৰি তোলাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰকল্পৰ অধীনত স্বয়ংচালিত ভৰলুমুখ পাম্পিং ষ্টেচন, স্মাৰ্ট পকী পয়ঃপ্ৰণালী আৰু নদী পুনৰুজ্জীৱিতকৰণৰ কাম কৰা হ'ব। তদুপৰি ভৰলু আৰু বাহিনী নৈৰ অৱবাহিকাৰ উন্নয়নৰ বাবে ৫০০ কোটি আৰু চাৰে ৯০০ কোটি টকাৰো ব্যয়ৰে কাৰ্য ৰূপায়ণ কৰা হ'ব।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি নতুন দিল্লীত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনক সাক্ষাৎ কৰে। সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে সভাপতিগৰাকীৰ সৈতে বিভিন্ন সাংগঠনিক বিষয় আৰু সংকল্প পত্ৰ ৰূপায়ণৰ ৰূপৰেখা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে বিজেপিৰ মুখ্য কাৰ্যালয়ত দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দুষ্যন্ত কুমাৰ গৌতমৰ সৈতেও আলোচনা মিলিত হয়। বিজেপি নেতাগৰাকীয়ে এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীক অসম বিধানসভা নিৰ্বাচনত ঐতিহাসিক জয়ৰ বাবে শুভেচ্ছা জনায়। আজি মুখ্যমন্ত্ৰীয়ে দিল্লী ভ্ৰমণ সামৰি দিনৰ ১০ বজাত গুৱাহাটীলৈ ঘূৰি আহিব। তেওঁ দুপৰীয়া আঁহতগুৰি আৰু ধৰমতুলৰ প্ৰস্তাৱিত মেগা ঔদ্যোগিক পাৰ্কৰ স্থান পৰিদৰ্শন কৰিব। ইয়াৰ পাছত তেওঁ দেওশাল মন্দিৰত পূজা-অৰ্চনা কৰি জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰিব।

০০০০০০

বিজনী চহৰৰ উৰণ সেতুৰ সমীপত কালি সন্ধিয়া আৰক্ষীয়ে অভিযান চলাই ড্ৰাগছসহ এজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। চিৰাং আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা ড্ৰাগছ সৰবৰাহকাৰীজন কাছাৰ জিলাৰ জামালপুৰৰ ছুনচুল হুছেইন লস্কৰ বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে যুৱকজনৰ পৰা ৭টা ড্ৰাগছভৰ্তি চাবোনৰ বাকচ জব্দ কৰে।

০০০০০০

ৰাজ্যত অহা ২ আগষ্টৰ পৰা দুটা পৰ্যায়ত লোকপিয়ল আৰম্ভ হ'ব। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জনগণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এই প্ৰক্ৰিয়াত ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে, দেশৰ বিভিন্ন অংশত ইতিপূৰ্বে লোকপিয়ল আৰম্ভ হৈছে যদিও বিধানসভা নিৰ্বাচনৰ বাবে অসমত এই প্ৰক্ৰিয়া আৰম্ভ হোৱা নাছিল।

০০০০০০

পেট্ৰল-ডিজেল আৰু নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ পাছত ঔষধৰো দাম বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। ঔষধ উৎপাদকাৰী প্ৰতিষ্ঠানসমূহে প্ৰতিবিধ ঔষধত ১০ শতাংশকৈ দাম বৃদ্ধিৰ চিন্তা চৰ্চা কৰিছে বুলি বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে। অসমীয়া প্ৰতিদিন কাকতে এই বাতৰিটোক প্ৰথম পৃষ্ঠাৰ মুখ্য

বাতৰি হিচাপে পৰিৱেশন কৰিছে। বাতৰিটোৰ শিৰোনামঃ 'পেট্ৰল-ডিজেল, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ব্যাপক মুল্যবৃদ্ধিৰ মাজতে ৰাইজলৈ অধিক দুঃখবৰ, শীঘ্ৰেই বৃদ্ধি পাব ঔষধৰ দাম।'

বিগত পাঁচ দিনত দ্বিতীয়বাৰলৈ পেট্ৰল ডিজেলৰ দাম বৃদ্ধি পোৱা বাতৰিটোৱে অনান্য কাকতসমূহৰ লগতে দৈনিক জনমভূমি কাকততো প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে। 'পেট্ৰল-ডিজেলঃ পুনৰ ৯০পইচাকৈ দামবৃদ্ধি' শিৰোনামেৰে বাতৰিটোক কাকতখনৰ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে। দি টাইমচ অব ইণ্ডিয়া, দি আচাম ট্ৰিবিউন কাকততো ইন্ধনৰ মুল্যবৃদ্ধিৰ বাতৰিটোৱে শিৰোনাম দখল কৰিছে।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই নতুন দিল্লীত বিজেপিৰ সৰ্বভাৰতীয় সভাপতি নীতিন নবীনক সাক্ষাৎ কৰি ৰাজ্যখনৰ বিভিন্ন সাংগঠনিক বিষয়, চৰকাৰৰ সংকল্প পত্ৰ ৰূপায়ণৰ ৰূপৰেখা আৰু মন্ত্ৰীসভাক লৈ গুৰুত্বপূৰ্ণ আলোচনাত মিলিত হোৱা বাতৰিটো দি চেন্টিনেল কাকতত মুখ্য বাতৰি হিচাপে প্ৰকাশ পাইছে। অসমীয়া খবৰ কাকততো একেটা বাতৰিকে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰা হৈছে।

কালি গুৱাহাটীত ব্ৰহ্মপুত্ৰ বৰ্ডৰ বৈঠকত কেন্দ্ৰীয় জলশক্তি মন্ত্ৰীগৰাকীয়ে আন্তঃৰাজ্যিক নদী সংযোগ প্ৰক্ৰিয়া আৰম্ভ হোৱাৰ কথা সদৰী কৰে। 'মহাবাহু হ'ব অসমৰ অৰ্থনৈতিক জীৱনৰেখা' শিৰোনামেৰে দৈনিক অসম কাকতে এই বাতৰিটোক মুখ্য বাতৰি হিচাপে পৰিৱেশন কৰিছে।

অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামীয়ে মিঞা মুছলমানক তুষ্টিকৰণ কৰা বিষয়টোক লৈ ৰাজ্যত প্ৰতিক্ৰিয়া অব্যাহত আছে। 'মিঞাক মূলসুঁতিৰ অসমীয়াৰ স্বীকৃতিৰ ধৃষ্টতা' শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে অসম সাহিত্য সভাৰ সভাপতিগৰাকীৰ এনে মন্তব্যক ভয়ংকৰ জাতিদ্ৰোহী আখ্যা দিছে।

আমেৰিকান ডলাৰৰ বিপৰীতে ভাৰতীয় টকাৰ মুল্য নিম্নগামী হোৱা বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত পৰিৱেশন কৰিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ ওভতি যাঁও।

০০০০০০

অহা ৬ জুনৰ পৰা আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া ক্ৰিকেট শৃংখলাৰ বাবে ভাৰতীয় দল বাছনি কৰা হৈছে। গুৱাহাটীত কালি বি চি চি আইৰ এখন বৈঠকত এই দল দুটা বাছনি কৰা হয়। গুৱাহাটীৰ অসম ক্ৰিকেট সন্থাৰ কাৰ্যালয়ত বি চি চি আইৰ সচিব দেৱজিৎ লন শইকীয়াৰ অধ্যক্ষতাত অনুষ্ঠিত বৈঠকৰ পাছত বি চি চি আইয়ে বিশেষ লিংকৰ জৰিয়তে বাছনিপ্ৰাপ্ত ভাৰতীয় দলৰ তালিকা প্ৰকাশ কৰে। এই অনুসৰি আফগানিস্তানৰ বিৰুদ্ধে হ'বলগীয়া টেষ্ট শৃংখলাৰ বাবে শুভমনগীলক অধিনায়ক আৰু কে এল ৰাহুলক উপ অধিনায়ক হিচাপে লৈ ১৫জনীয়া খেলুৱৈ তালিকা প্ৰকাশ কৰা হৈছে। একেদৰে শুভমন গীলক অধিনায়ক আৰু শ্ৰেয়াছ আয়াৰক উপ অধিনায়ক হিচাপে লৈ এদিনীয়া দলটো ঘোষণা কৰা হৈছে। আফগানিস্তানৰ বিৰুদ্ধে ভাৰতীয় দলটোৱে এখন টেষ্ট মেচ আৰু তিনিখন এদিনীয়া মেচ খেলিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত জয়পুৰত অনুষ্ঠিত এখন খেলত যোৱা নিশা ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েন্টছক ৭ উইকেটত পৰাস্ত কৰে। খেলখনত ৰাজস্থান ৰয়েলছে ৫টা বল আৰু ৭টা উইকেট বাকী থকা অৱস্থাত ২২১ ৰানৰ বৃহৎ লক্ষ্য অতিক্ৰম কৰিবলৈ সমৰ্থ হয়। খেলখনত বৈভৱ সূৰ্যবংশীয়ে মাত্ৰ ৩৮টা বলত ৯৩ ৰান কৰে। ধ্ৰুৱ জুৰেলে ৫৩ ৰান সংগ্ৰহ কৰাৰ লগতে অধিনায়ক যশস্বী জয়ছোৱালে ৪৩ ৰান সংগ্ৰহ কৰে। বৈভৱ সূৰ্য্যবংশীক শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ পোৱাৰ পিছত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে নিৰ্দিষ্ট ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২২০ ৰান সংগ্ৰহ কৰিছিল। দলটোৰ হৈ মাত্ৰ ৫৭টা বলত মিচেল মাৰ্ছে ৯৬ ৰান সংগ্ৰহ কৰে। জোছ ইংলিছে ৬০ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থান ৰয়েলছৰ হৈ যশৰাজ পঞ্জাই ২টা উইকেট দখল কৰে।

**ৰয়েল চেলেঞ্জাৰ বেংগালুৰু, গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদে ইতিমধ্যে প্লে-অফৰ বাবে যোগ্যতা অৰ্জন কৰিছে। প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।**

০০০০০০

শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সুৰেণ দাসৰ যোৱানিশা দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৯০ বছৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৩ ডিগ্ৰী ছেলছিয়াছ হ’ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল, মিজোৰাম, মেঘালয়, ত্ৰিপুৰা, নাগালেণ্ড আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**